# 2023

## ASSAMESE

( Honours Core )

Paper : ASM–HC–4036

**( Asomiya Gadyya Sahitya )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) 'ৰুক্মিণী হৰণ' নাটকত উল্লেখ থকা 'লীলাৱতী' কোন?

(খ) "মাধৱদেৱে ৰচনা কৰা নাটকক অংকীয়া নাটক বুলি কোৱা হয়।" কথাষাৰ সঁচানে?

(গ) 'অর্জুন ভঞ্জন' নাটৰ 'অর্জুন' কি?

(ঘ) ভট্টদেৱে ক'ত সত্ৰ পাতিছিল?

(ঙ) 'গুৰু-সেৱা-মাহাত্ম্য' পাঠত প্ৰথম গুৰু বুলি কাক কোৱা হৈছে?

(চ) 'শত্ৰুঞ্জয় কাব্য'ৰ ৰচক কোন?

(ছ) মাধৱদেৱৰ ভনী জোঁৱায়েকৰ নাম কি আছিল?

(জ) অসমত কোনে প্ৰথমতে বুৰঞ্জী লিখা প্ৰথা আৰম্ভ কৰিছিল?

(ঝ) 'ঘোঁৰা নিদান' কোনে ৰচনা কৰিছিল?

(ঞ) চামধৰা গড়ৰ ৰণজয়ৰ ফলি মূলতঃ কেইখন?

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) অংকীয়া নাটৰ যি কোনো দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(খ) "সতিনীৰ চেড়িতো অধিক ভৈলি"—কথাষাৰ কোনে, কাক কৈছিল?

(গ) মাজুলীৰ ধুৱাহাট বেলগুৰিত মণিকাঞ্চন সংযোগ ঘটা মহাপুৰুষ দুগৰাকী কোন কোন?

(ঘ) সূৰ্যকুমাৰ ভূঞাই সম্পাদনা কৰা যি কোনো দুখন বুৰঞ্জী-পুথিৰ নাম লিখা।

(ঙ) চন্দ্ৰকান্ত সিংহই বদনচন্দ্ৰ বৰফুকনলৈ লিখা চিঠিখনৰ মূল উদ্দেশ্য কি আছিল?

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) 'ৰুক্মিণী হৰণ' নাটকৰ ৰুক্মিণীৰ প্ৰেমপত্ৰখনৰ মূল কথাখিনি নিজৰ ভাষাৰে লিখা।

(খ) বায়ুকৰতী মন্ত্ৰৰ বিষয়ে এটি টোকা যুগুত কৰা।





(গ) 'কথাগীতা'ৰ প্ৰথম অধ্যায়টোক 'বিষাদ যোগ' বোলাৰ যুক্তিযুক্ততা বিচাৰ কৰা।

(ঘ) ব্যৱহাৰিক সাহিত্য বুলিলে কি বুজা? শংকৰোত্তৰ যুগৰ যি কোনো দুখন ব্যৱহাৰিক সাহিত্য পুথিৰ নাম লিখা।

(ঙ) অসমীয়া লিপিৰ যুগবিভাজন কেনেদৰে কৰা হৈছে, চমুকৈ লিখা।

(চ) কি কি কাৰণত 'নন্দ যশোদাৰ কলহ' হৈছিল, ব্যাখ্যা কৰা।

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) শংকৰদেৱ আৰু মাধৱদেৱৰ নাট্যৰীতিৰ সামগ্ৰিক দিশ বিশ্লেষণ কৰি এটি আলোচনা যুগুত কৰা।

(খ) 'কথাগীতা'ৰ আধাৰত ভট্টদেৱৰ গদ্যৰীতি সম্পৰ্কে এটি সামগ্ৰিক আলোচনা আগবঢ়োৱা।

(গ) 'গুৰু-সেৱা-মাহাত্ম্য' পাঠৰ আধাৰত গুৰুৰ সংজ্ঞা দি গুৰুৰ লক্ষণ আৰু গুৰু সেৱাৰ মহিমাৰ বিষয়ে লিখা।

(ঘ) 'ৰামৰ বন গমন' পাঠটোৰ লেখক কোন? পাঠটোৰ আধাৰত কুঁজী আৰু কৈকেয়ী চৰিত্ৰ দুটিৰ এটি তুলনামূলক আলোচনা দাঙি ধৰা।

(ঙ) 'গুৰু-শিষ্যৰ মণিকাঞ্চন সংযোগ' পাঠটোত উল্লেখ থকা গুৰু আৰু শিষ্য কোন কোন? দুয়োগৰাকীৰে ব্যক্তিত্ব সম্পৰ্কে পাঠৰ আধাৰত এটি আলোচনা যুগুত কৰা।

(চ) 'অসমৰ ৰণোদ্যম' পাঠটিৰ মূল কথাখিনি নিজৰ ভাষাৰে লিখি উলিওৱা।

(ছ) 'হস্তিবিদ্যাৰ্ণৱ' কি বিষয়ৰ পুথি? পুথিখনৰ কথাবস্তুৰ বিষয়ে খৰচি মাৰি আলোচনা কৰা।

(জ) 'বদনচন্দ্ৰ বৰফুকনলৈ চন্দ্ৰকান্ত সিংহ স্বৰ্গদেউৰ গোপনীয় পত্ৰ'ৰ গদ্যৰীতিৰ সামগ্ৰিক দিশ প্ৰতিফলন হোৱাকৈ এটি নিবন্ধ যুগুত কৰা।

★★★